**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-08-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

১। লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

২। ৰাজ্যসভাই আজি অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ত অনুমোদন জনোৱাৰ লগে লগে সংসদত এই বিধেয়কখন গৃহীত হয়।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গে লেভৰভে আজি মস্কোত এখন বৈঠকত ভাৰত-ৰাছিয়া দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে।

৪। দিৱালী আৰু ছথ পূজা উপলক্ষে যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰে'লৱেই ১২ হাজাৰৰো অধিক বিশেষ ৰে'ল সেৱা মুকলিৰ সিদ্ধান্ত লৈছে।

আৰু

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পৰহিলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

ooooooo

লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। ইয়াৰ লগে লগে যোৱা ২১ জুলাইত আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ আজি সামৰণি পৰে।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই কয়, যে সংসদৰ বৰ্ষাকালীন অধিৱেশনত ১৪ খন চৰকাৰী বিধেয়ক সদনত উত্থাপন কৰা হয় আৰু মুঠ ১২ খন বিধেয়ক গৃহীত হয়। তেওঁ কয়, যে অধিৱেশনৰ সময়ছোৱাত অপাৰেচন সিন্দূৰ সন্দৰ্ভত দুদিনীয়া বিশেষ আলোচনা অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰেৰে এই আলোচনাৰ সামৰণি পৰে। লোকসভাত ভাৰতৰ মহাকাশ কাৰ্যসূচীৰ সাফল্য সম্পৰ্কেও বিশেষ আলোচনা হোৱা বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰৰ অধিৱেশনৰ বিষয়সূচীত ৪১৯ টা তৰাযুক্ত প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয় যদিও সদনৰ কাম-কাজ পূৰ্ব পৰিকল্পিতভাৱে বিঘ্নিত কৰাৰ ফলত মাত্ৰ ৫৫ টা প্ৰশ্নহে মৌখিক উত্তৰৰ বাবে বিবেচনা কৰিব পৰা যায়। সদনৰ কাম-কাজ বিঘ্নিত হোৱাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী বিৰলাই কয়, যে বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত মাত্ৰ ৩৭ ঘণ্টাহে কাম কৰিব পৰা যায়। তেওঁ কয়, যে এই অধিৱেশনৰ সময়ছোৱাত দেখা পোৱা আচৰণ আৰু ভাষাৰ ব্যৱহাৰ সংসদৰ গৰিমাৰ সম্পূৰ্ণ পৰিপন্থী। সংসদৰ গৰিমা বৰ্তাই ৰখাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাটো সদস্যসকলৰ উমৈহতীয়া দায়িত্ব বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সম্পৰ্কে আলোচনা কৰাৰ দাবী উত্থাপন কৰি বিৰোধী দলসমূহে প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিৰ মাজতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কালৰ কাম চলাই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী সাংসদসকলে সৃষ্টি কৰা হুলস্থূলৰ বাবে তেওঁ সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

ৰাজ্যসভাতো আজি একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰথমবাৰ কামকাজ স্থগিত ৰখাৰ পাছত দিনৰ দুই বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণক লৈ শ্লোগান দিবলৈ আৰম্ভ কৰে। উপসভাপতি হৰিবংশে প্ৰতিবাদৰত সদস্যসকলক সদনৰ কামকাজ চলাই নিয়াত সহযোগ কৰিবলৈ আৰু নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আহ্বান জনায়। হুলস্থূলীয়া পৰিৱেশৰ মাজতে ৰাজ্যসভাই সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়ক, ২০২৫, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ সংশোধনী বিধেয়ক ২০২৫ আৰু জম্মু আৰু কাশ্মীৰ পুনৰ গঠন সংশোধনী বিধেয়ক ২০২৫, অধিক পৰ্যালোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰে। ৰাজ্যসভাই আজি অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়কত অনুমোদন  জনোৱাৰ লগে লগে এই বিধেয়কখন সংসদত গৃহিত হয়। ইপিনে, বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই সদনত বিৰোধী পক্ষৰ সদস্যসকলক তেওঁলোকৰ বিষয়সমূহত কথা ক'বলৈ অনুমতি দিয়া নহ'ল বুলি অভিযোগ কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে শ্ৰী খাৰ্গেৰ মন্তব্যক অস্বীকাৰ কৰি সভাপতিৰ ওপৰত এনে অভিযোগ কৰাটো উচিত নহয় বুলি মন্তব্য কৰে। তেওঁ কয়, যে সভাপতিয়ে প্ৰতিজন সদস্যকে কথা কোৱাৰ অনুমতি দিয়ে কিন্তু বিৰোধী সাংসদসকলে প্ৰয়োজনীয় বিষয়ত কোনো কথা নক'লে। বিৰোধীপক্ষৰ সদস্যসকলে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ গোটেই সময়ছোৱাতে সভাপতিৰ সৈতে সহযোগিতা নকৰিলে বুলি শ্ৰী ৰিজিজুৱে অভিযোগ কৰে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজত সভাপতিয়ে সদনৰ কামকাজ দুই বাজি ৩৮ মিনিটলৈ স্থগিত ঘোষণা কৰে।

ইয়াৰ পাছত দ্বিতীয়বাৰৰ বাবে ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত উপ-সভাপতি হৰিবংশে বৰ্ষাকালীন অধিৱেশনত বিৰোধীপক্ষৰ সাংসদসকলে কামকাজ বিঘ্নিত কৰাক লৈ  অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে উচ্চ সদনত মাত্ৰ ৪১ ঘণ্টা ১৫ মিনিটহে কামকাজ চলে আৰু মাত্ৰ ৩৮ দশমিক ৮ শতাংশ কামহে ফলপ্ৰসূ হয়। এই অধিৱেশনত ১৪ খন চৰকাৰী বিধেয়ক গৃহীত অথবা ঘূৰাই পথোৱা হয়। ৰাজ্যসভাত অপাৰেচন সিন্দূৰ সন্দৰ্ভতো বিশেষ আলোচনা অনুষ্ঠিত হয় বুলি উপসভাপতিয়ে প্ৰকাশ কৰে। পাছত তেওঁ অনিৰ্দিষ্টকালৰ বাবে সদনৰ কামকাজ স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত উপ-সভাপতি হৰিবংশে বিভিন্ন বিষয় লৈ ভিন ভিন ৰাজনৈতিক দলে ১৮ খন সভাস্থগিতকৰণৰ জাননী প্ৰেৰণ কৰা বুলি উল্লেখ কৰে। তেওঁ অৱশ্যে সদন পৰিচালনাৰ বিভিন্ন নিয়মৰ দোহাই দি এই জাননীসমূহ প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে শ্ল'গান দিবলৈ ধৰে। উপ-সভাপতিগৰাকীয়ে শূন্যকালৰ কাম আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণৰ বিষয় লৈ প্ৰতিবাদ সাব্যস্ত কৰে। অচলাৱস্থা অব্যাহত থকাত উপ-সভাপতি হৰিবংশে সদনৰ কাম-কাজ দিনৰ দুই বজালৈ স্থগিত ৰাখে।

০০০০০০০

ৰাজ্যসভাই আজি অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ত অনুমোদন জনোৱাৰ লগে লগে সংসদত এই বিধেয়কখন গৃহীত হয়। এই বিধেয়কখনৰ জৰিয়তে ই-ক্ৰীড়া আৰু অনলাইন ছ'চিয়েল গেমসমূহত উৎসাহ যোগোৱাৰ বিপৰীতে ধনৰ বিনিময়ত প্ৰদান কৰা ক্ষতিকাৰক অনলাইন গেমিং সেৱা, বিজ্ঞাপন আৰু এনে খেলৰ সৈতে জড়িত বিত্তীয় লেন-দেন নিষিদ্ধ কৰিব খোজা হৈছে। বিধেয়কখনত সমন্বিত নীতিগত সহযোগিতা, ৰণনীতিৰ বিকাশ আৰু খণ্ডটোৰ নিয়ন্ত্ৰণৰ বাবে অনলাইন গেমিং প্ৰাধিকৰণ নিযুক্তিৰ ব্যৱস্থা আছে। এই খেলসমূহৰ সৈতে জড়িত বিৰূপ প্ৰভাৱৰ পৰা বিশেষকৈ যুৱ-প্ৰজন্ম আৰু সহজেই বলি হ'ব পৰা লোকসকলক সুৰক্ষা প্ৰদান কৰাই বিধেয়কখনৰ মূল উদ্দেশ্য।

সদনত এই বিধেয়কখন উত্থাপন কৰি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে বিত্তীয় লেনদেনৰ জৰিয়তে খেলা অনলাইন গেমসমূহ জনস্বাস্থ্যৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিছে। শ্ৰীবৈষ্ণৱে কয় যে এই গেমিং আসক্তিয়ে বিত্তীয় ঠগ প্ৰৱঞ্চনা বৃদ্ধি কৰিছে আৰু বহু পৰিয়ালে এনে অনলাইন গেমৰ বাবে বিত্তীয় সমস্যাৰো সন্মুখীন হৈছে।

তেওঁ কয়, যে অনলাইন গেমত প্ৰতি বছৰে আনুমানিক ৪৫ কোটি লৈকে প্ৰায় ২০ হাজাৰ কোটি টকা লোকচান কৰে। এই বিধেয়কখনত ই-ক্ৰীড়া, অনলাইন সামাজিক গেম আৰু অনলাইন ধন গেম নামেৰে তিনিটা শাখা আছে বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে  চৰকাৰে ই-ক্ৰীড়া আৰু অনলাইন সামাজিক গেমৰ প্ৰচাৰ  কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যসভাই আজি সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়ক ২০২৫, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ সংশোধনী বিধেয়ক ২০২৫ তথা জম্মু আৰু কাশ্মীৰ পুনৰগঠন সংশোধনী বিধেয়ক ২০২৫ অধিক পৰ্যালোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিছে। এই যুটীয়া সংসদীয় সমিতিখনত লোকসভাৰ অধ্যক্ষই মনোনীত কৰা ২১ গৰাকী সদস্য আৰু ৰাজ্যসভাৰ উপসভাপতিয়ে মনোনীত কৰা ১০ গৰাকী সদস্য থাকিব। বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সন্দৰ্ভত প্ৰতিবাদ অব্যাহত ৰখাৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি এই বিধেয়ক কেইখন উত্থাপন কৰে। এই বিধেয়ক কেইখনত থকা নিয়ম অনুসৰি যদি প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক কোনো অপৰাধৰ বাবে আটক কৰা হয় আৰু ৩০ দিনৰ বাবে জিম্মাত ৰখাৰ পাছত কমেও পাঁচ বছৰৰ কাৰাদণ্ড হয়, তেনেহ'লে ৩১ সংখ্যক দিনটোত তেওঁলোকে নিজৰ পদবী হেৰুৱাব। উল্লেখযোগ্য যে লোকসভাই কালি এই বিধেয়ক কেইখন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গে লেভৰভে আজি মস্কোত এখন বৈঠকত ভাৰত-ৰাছিয়া দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে। আলোচনাৰ অন্তত এখন যুটীয়া সংবাদমেলত ডঃ জয়শংকৰে কয়, যে দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক বিশ্বৰ আটাইবোৰ দেশৰ ভিতৰত আটাইতকৈ শক্তিশালী হিচাপে বিবেচিত হৈ আহিছে। তেওঁ লগতে কয়, যে ভাৰত-ৰাছিয়া অংশীদাৰিত্বৰ মূল চালিকা শক্তি হৈছে ভূ-ৰাজনৈতিক অভিন্নতা, নেতৃত্বৰ সম্পৰ্ক আৰু জনসাধাৰণৰ অনুভূতি। দুয়োগৰাকী মন্ত্ৰীয়ে ৰাছিয়ালৈ ভাৰতৰ সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিকে ধৰি সম আৰু বহনক্ষমভাৱে দ্বিপাক্ষিক বাণিজ্যৰ প্ৰসাৰ পুনৰ নিশ্চিত

কৰে। মন্ত্ৰী দুগৰাকীয়ে লগতে আন্তঃৰাষ্ট্ৰীয় উত্তৰ-দক্ষিণ পৰিবহন কৰিড'ৰ, চেন্নাই-ভ্লাডিভষ্টক পূব সামুদ্ৰিক কৰিড'ৰ আৰু উত্তৰৰ সামুদ্ৰিক পথত সহযোগিতাকে ধৰি যোগাযোগ পদক্ষেপ সমূহৰ সন্দৰ্ভতো আলোচনা কৰে।

০০০০০০০

দিৱালী আৰু সথ পূজা উপলক্ষে যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰে'লৱেই ১২ হাজাৰৰো অধিক বিশেষ ৰে'ল সেৱা মুকলিৰ সিদ্ধান্ত লৈছে। নতুন দিল্লীত আজি এখন সংবাদমেলত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ১৩ ৰ পৰা ২৬ অক্টোবৰলৈ যাত্ৰা কৰা লোক আৰু ১৭ নৱেম্বৰৰ পৰা এক ডিচেম্বৰৰ ভিতৰত উভটনি যাত্ৰা কৰা লোকসকলকৰ টিকটত ২০ শতাংশকৈ ৰেহাই দিয়া হ'ব। সমাগত উৎসৱৰ বতৰ প্ৰতি লক্ষ্য ৰাখি এই পদক্ষেপ ৰূপায়ণ কৰা হ'ব আৰু এই পদক্ষেপে বৃহৎ সংখ্যক লোকক উপকৃত কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পৰহিলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব। খেলখন কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত খেলোৱা হ'ব।

ইপিনে নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

**সমাপ্ত**